# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 30-NOV-2025

**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

ooooo

দেশৰ বিভিন্ন খণ্ডত শেহতীয়া বিকাশে  নতুন চিন্তাৰ উদ্ভাৱন আৰু যুৱ শক্তিক উদ্ভাসিত কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰিছে। তেওঁ এই ক্ষেত্ৰত হায়দৰাবাদত নতুনকৈ উন্মোচন কৰা বিশ্বৰ সৰ্ববৃহৎ লিপ ইঞ্জিন এম আৰ অ'ৰ ব্যৱস্থা, ভাৰতীয় নৌসেনাত আই এন এছ মাহেৰ অন্তৰ্ভুক্তি আৰু দেশত স্কাইৰুটৰ ইনফিনিটি চৌহদ মুকলি কৰাৰ দৰে বিষয়সমূহৰ উদাহৰণ দাঙি ধৰে। শ্ৰীমোদীয়ে কৃষিখণ্ডত লাভ কৰা গুৰুত্বপূৰ্ণ সাফল্যত আলোকপাত কৰি কয় যে খাদ্য শস্যৰ উৎপাদনৰ পৰিমাণ ৩৫ কোটি ৭০ লাখ টনলৈ বৃদ্ধি কৰি ভাৰতে অভিলেখ সৃষ্টি কৰিছে।

মাত্ৰ কেইদিনমানৰ পূৰ্বে ভাৰতে কমনৱেল্‌থ ক্ৰীড়া সমাৰোহৰ আয়োজক দেশ হিচাপে স্বীকৃতি লাভ কৰাৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ক্ৰীড়া ক্ষেত্ৰতো দেশখনে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে।

ভাৰতীয় নৌ সেনাত আই এন এছ মাহেৰ অন্তৰ্ভুক্তিক লৈ শ্ৰীমোদীয়ে কয় যে ভাৰতৰ পৰিবেশ তন্ত্ৰৰ সুৰক্ষা শক্তিশালী কৰি তোলাক লৈ প্ৰতিগৰাকী ভাৰতীয়ই গৌৰৱ অনুভৱ কৰে। শ্ৰীমোদীয়ে লগতে ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰোৱে আয়োজন কৰা অনন্য ড্ৰোণ প্ৰতিযোগিতাৰ কথা উল্লেখ কৰি কয় যে এই প্ৰতিযোগিতাত বহুসংখ্যক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে আৰু এই যুৱচামৰ সমৰ্পনৰ মনোভাৱেই হৈছে বিকশিত ভাৰতৰ উল্লেখনীয় শক্তি।

প্ৰধানমন্ত্ৰীগৰাকীয়ে মন কী বাত অনুষ্ঠানক দেশৰ জনসাধাৰণৰ সফলতাসমূহ উদযাপন কৰা আৰু ভিন ভিন লোকৰ বিভিন্ন ক্ষেত্ৰত সফলতা তথা প্ৰচেষ্টাসমূহ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ এখন আকৰ্ষণীয় মঞ্চ প্ৰকাশ কৰে।

ooooo

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ উদ্যোগত ডিব্ৰুগড় জিলাৰ কলৌলোৱা দেউৰী গাঁৱৰ উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি ৭৮ সংখ্যক জননেতা ভীমবৰ দেউৰী দিৱস পালন কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শিক্ষাবিদ ড০ উপেন ৰাভা হাকাচামকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰী বিমল বৰাই তেওঁৰ ভাষণত অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ সৰ্বাঙ্গীন উন্নয়নৰ ক্ষেত্ৰত ভীমবৰ দেউৰীৰ অগ্ৰণী ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে জনসাধাৰণক নিজৰ অধিকাৰ সন্দৰ্ভত সজাগ কৰি ভীমবৰ দেউৰীয়ে তেওঁলোকৰ সামাজিক উত্তৰণৰ পথ প্ৰশস্ত কৰি গ'ল।

অতুলনীয় কৰ্মৰাজিৰে দেশ তথা সমাজৰ কল্যাণৰ হকে জননেতাগৰাকীয়ে আগবঢ়োৱা অৱদানে প্ৰতিটো প্ৰজন্মক অনুপ্ৰেৰণা যোগাই যাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**ৰাইট**

ধেমাজি জিলাতো আজি জননেতা ভীমবৰ দেউৰীৰ স্মৃতি দিৱস পালন কৰা হয়। ধেমাজি জিলা দেউৰী সাহিত্য সভা আৰু ধেমাজি নগৰ দেউৰী উন্নয়ন আৰু কল্যাণ সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস অনুষ্ঠিত হয়। জিলাখনৰ তেলিজানৰ ভীমবৰ দেউৰী স্মৃতি ভৱনত আয়োজিত এই কাৰ্যসূচীত জননেতাগৰাকীৰ জীৱন আৰু কৰ্মৰাজি সন্দৰ্ভত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়।

ooooo

স্বাধীনতা সংগ্ৰামৰ প্ৰথম ছহিদ পিয়লি ফুকনৰ বিষয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত আলোচনাৰ বাট মুকলি কৰি আজি শিৱসাগৰত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই **ছহিদ পিয়লি ফুকন ঃ দ্যা চন অৱ চইল** শীৰ্ষক ইংৰাজী ভাষাত লিখি উলিওৱা গ্ৰন্থখন উন্মোচন কৰে। শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে গ্ৰন্থখনে ৰাষ্ট্ৰীয় পৰ্যায়ত পিয়লি ফুকন সন্দৰ্ভত নতুন আলোচনাৰ বাট মুকলি কৰিলে। এই গৱেষণামূলক গ্ৰন্থখনৰ আধাৰতে দিল্লী বিশ্ববিদ্যালয় আৰু জৱহৰলাল নেহৰু বিশ্ববিদ্যালয়ত শীঘ্ৰে ছহিদগৰাকী জীৱনক লৈ বিশেষ আলোচনা অনুষ্ঠিত কৰা হ'ব বুলিও আয়োজক সমিতিয়ে জানিবলৈ দিছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক ৰীতা চৌধুৰীয়ে কয় যে এই প্ৰয়াসে ছহিদগৰাকীক ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকী কৰি দিয়াত সহায় কৰিব।

উল্লেখযোগ্য যে এই অনুষ্ঠানতে ব্ৰিটিছ উপনিবেশ বিৰোধী সংগ্ৰাম আৰু ছহিদ পিয়লি ফুকন শীৰ্ষক এক মনোগ্ৰাহী আলোচনাও অনুষ্ঠিত হয়। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথমগৰাকী ছহিদ মংগল পাণ্ডে নে পিয়লি ফুকন, এই লৈ বিশদভাৱে আলোচনা কৰা হয়। টাই ভাষাৰ বিশিষ্ট পণ্ডিত পুষ্প গগৈ, শিক্ষাবিদ দয়ানন্দ বৰগোহাই, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাকে ধৰি অনুষ্ঠানত কেইবাগৰাকীও শিক্ষাবিদ-বুৰঞ্জিবিদে অংশগ্ৰহণ কৰে।

ooooo

গোলাঘাট জিলাৰ মৰঙিত সদৌ অসম মইনা পাৰিজাতৰ ১৮ সংখ্যক ৰাজ্যিক শিশু সমাৰোহ আৰু মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানৰ বাবে পোৱাবাংলাত থকা জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত আজি মূল মণ্ডপৰ লাইখুটা স্থাপন কৰা হয়। অহা ২৬ ডিচেম্বৰৰ পৰা ৪ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শিশু সমাৰোহ অনুষ্ঠিত হ'ব। এই সমাৰোহত ২৩ খন জিলাৰ মইনা পাৰিজাতৰ সদস্যসকলে সাহিত্য, সাংস্কৃতি আৰু ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।

ooooo

**সমাপ্ত**